অসম আদিত্য

☐ সোমবাৰ, ১৮ নৱেম্বৰ, ২০২৪ ☐ ২ আঘোণ, ১৯৪৬ শক ☐

# ডিব্ৰু মহাবিদ্যালয়ত চেনিটেৰি নেপকিন ভেণ্ডিং যন্ত্ৰ স্থাপন



ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ তাৰিখে ডিব্ৰু মহাবিদ্যালয়ত এটা চেনিটেৰি নেপকিন ভেণ্ডিং যন্ত্ৰৰ উদ্বোধন কৰা হয়। উদ্বোধন কৰে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে। অনুষ্ঠানটিৰ লগতসংগতিৰাখি মহাবিদ্যালয়ৰ ডিজিটেল কন্‌ফাৰেন্স কোঠাত এখনি উদ্বোধনী তথা সজাগতামূলক সভাৰ আয়োজন কৰা হয়। সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা হিমাদ্ৰী শৰ্মাই আঁত ধৰা উক্ত সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে বিধায়কগৰাকীক এখনি ফুলাম গামোচা আৰু এটি কিতাপৰ টোপোলাৰে আদৰণি জনায় আৰু সভাত উপস্থিত সকলোকে উদ্দেশ্য কৰি আদৰণী ভাষণ প্ৰদান কৰে। আদৰণী ভাষণত তেওঁ বিধায়কজনক মহাবিদ্যালয়ৰ বিকাশত সদায় সহায় কৰাৰ বাবে ধন্যবাদ জনায় আৰু আগন্তুক সময়তো তেওঁৰ সঁহাৰি পাব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পিছত উপাধ্যক্ষা ড০ অদিতি বৰুৱাই বিধায়জনক ধন্যবাদ জ্ঞাপন কৰে। তেওঁৰ এই সহায়ৰ বাবে লগতে ভৱিষ্যতলৈও মহাবিদ্যালয়ৰ প্ৰতি তেওঁৰ এই শুভ চিন্তন অটুট থাকিব বুলি আশা প্ৰকাশ কৰে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অভিজিৎ সোনোৱালেও ছাত্ৰ-ছাত্ৰীসকলে দৈনন্দিন মহাবিদ্যালয়ত সন্মুখীন হৈ থকা সমস্যাসমূহ বিধায়কগৰাকীৰ দৃষ্টিগোচৰ কৰে। তাৰ পিছত সভাত অতিথি হিচাপে উপৱিষ্ট বিধায়ক প্ৰশান্ত ফুকনে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি উদগনিমূলক ভাষণ প্ৰদান কৰে। তেওঁ ভাষণৰ প্ৰাৰম্ভণিতে কয় যে স্বাস্থ্যই আমাৰ পৰম সম্পদ। স্বাস্থ্য ভালে থাকিলেহে জীৱনত সকলো অৰ্জন কৰা সম্ভৱ। সেয়েহে ছাত্ৰীসকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতৰ সুবিধা হোৱাকৈ স্বাস্থ্যসন্মত চেনিটেৰি নেপকিন উপলব্ধ কৰাৰ উদ্দেশ্যেৰে এই চেনিটেৰি নেপকিন ভেণ্ডিং যন্ত্ৰটি প্ৰদান কৰিছে। লগতে তেওঁ যন্ত্ৰটোৰ সঠিক ব্যৱহাৰ কৰিবলৈও ছাত্ৰীসকলক আহ্বান জনায়। উল্লেখ্য যে যদিও এই সভাখন মূলতঃ ছাত্ৰীসকলৰ সৈতে সম্বন্ধিত তথাপি বহুসংখ্যক ছাত্ৰ ইয়াত উপস্থিত থাকে। কিয়নো সমাজৰ অন্ধবিশ্বাসবোৰ আঁতৰাই সুস্থ বাতাবৰণ গঢ়ি তোলাত উভয় শ্ৰেণীৰে সহযোগিতাৰ প্ৰয়োজন। সেয়েহে ঋতুস্ৰাৱৰ সময়ত মানি চলিবলগীয়া চাফ-চিকুণতা সম্পৰ্কে ছাত্ৰ অৰ্থাৎ পুৰুষসমাজো অৱগত হোৱাটো আৱশ্যকীয়। সভাখনত উপস্থিত থাকি বিধায়কগৰাকী নষ্টালজিক হৈ পৰে আৰু তেওঁ পঢ়ি থকা কালৰ সময়বোৰৰ স্মৃতি ৰোমন্থন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ভাগ-বতৰা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলকো সপোন দেখিবলৈ উৎসাহিত কৰে। মহাবিদ্যালয়খনৰ বিকাশত তেওঁ সামৰ্থ্য অনুসৰি সহায় প্ৰদান কৰিব বুলিও আশ্বাস প্ৰদান কৰে।